কোনো এটা ভাষা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ ফলত এটা অঞ্চলৰ ব্যক্তি ভাষাৰ লগত আন এটা অঞ্চলৰ ব্যক্তি ভাষাৰ যদি সহজে আৰু সঘনে মিলা-মিচা বা যোগা-যোগৰ অভাৱ ঘটে, তেতিয়া অঞ্চলভেদে ভাষাগত পাৰ্থক্যহ দেখা দিয়ে। এনেদৰে এটা ভাষাৰ অন্তৰ্গত অঞ্চলসমহ্ৰ ভাষাগত পাৰ্থক্য দেখা দিয়া প্ৰতিটো অঞ্চলৰ ভাষাক ডপভাষা আখ্যা দিয়া হয়।

- ডপভাষা সৃষ্টিৰ ম্ল কাৰণেহ হৈছে যোগা-যোগৰ অভাব।  এহ যোগা-যোগৰ অভাব বিভিন্ন কাৰণত হ’ব পাৰে। বিষেশকৈ প্ৰাকৃতিক কা ৰণ, সামাজিক-সাংস্কৃতিক কাৰণ, ৰাজনৈতিক কাৰণত ভাষাগত পাৰ্থক্য আহিব পাৰে। ডদাহৰণ স্বৰূপে --

- ডপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ--ভাষা-ডপভাষাৰ অধ্যয়ন বা বিশ্লেষণৰ মল ক্ষেত্ৰ ৰাজনৈতিক নহয়, ঐতিহাসিক আৰু সাংস্কৃতিকহে। ভাষাবিদ ব্লুমফিল্ডেৰ মতে---“ভাষাবিজ্ঞানীৰ কাৰণে স্থানীয় ডপভাষাবোৰৰ মল্য যথেষ্ট। সেহবোৰে তেওঁলোকক কামৰ আহিলা যোগায় কাৰণেহ অকল মল্যবান নহয় । মান্য আৰু অৰ্ধমান্য ভাষাৰ মল আৰু বুৰঞ্জী আঞ্চলিক ডপভাষাবোৰৰ জৰিয়তেহে বুজিব পাৰি”। জে.এ. ছাৰ্ডৰ ভাষাত--“ডপভাষাৰ অধ্যয়নে আমাৰ ভাষাৰ আগৰ স্তৰবোৰৰ বিষিয়ে সম্যক জ্ঞান দান কৰে। ভাষাটোৱে গ্ৰহন কৰা নতুন নতুন শব্দ ৰাজিৰ সময় নিৰোপন কৰে।

- তদুপৰি এটা ভাষাৰ অন্তৰ্গত বিভিন অঞ্চলৰ ভাষাসমূহৰ মাজত থকা ভাষাগত পাৰ্থক্যসমূহ জনাত উপভাষা অধ্যয়নে সহায় কৰে । অৰ্থাৎ এটা অঞ্চলৰ ভাষাৰ লগত আন এটা অঞ্চলৰ শব্দগত , ৰূপগত, ধনিগত বা অৰ্থগত পাৰ্থক্যসমূহ জনাত উপভাষা অধ্যয়নে সহায় কৰে।

- ভাষা সংস্কৃতিৰ এক বিশেষ অংগ হোৱাৰ বাবে কোনো ঠাইৰ ভাষাগত পাৰ্থক্য সেই ঠাইৰ সামাজিক, সাংস্কৃতিক দিশৰ বহু কথাই জনাত সহায় কৰে। উদাহৰণ স্বৰূপে--কোনো কোনো সমাজত মতা মানুহৰ ভাষা আৰু মাইকী মানুহৰ ভাষাৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। উপভাষা অধ্যয়নে দুয়ো শ্ৰেণীৰ লোকৰ ভাষাৰ বিষয়ে জনাত ঘায় কৰে।

- ডপভাষাৰ অধ্যয়নে বিভিন দল বা গোষ্ঠীসম্হ্ৰ ভাষাৰপৰিচয় দাঙি ধৰে। ডদাহ্ৰণ স্বৰূপে--
- ডপভাষাৰ অধ্যয়নে কোনো এখন ঠাহ্ৰ আদিম বসতিৰ অনুসন্ধানতো সহায় কৰে।
-

- কোনো এটা ভাষাৰ বিকাশ আৰু ইতিহাস বিশ্লেষণত উপভাষাৰ অধ্যয়ন অপৰিহাৰ্যভাৱে কাম কৰে।
- একেদৰে নৃগোষ্ঠীয় উপভাষাৰ অধ্যয়নে কোনো এখন জিলাৰ সাংস্কৃতিক পুনৰগঠনত যথেষ্ট বৰঙণি যোগাবলৈ সমৰ্থবান হয়।

- আটাইতকৈ মহত্বপূৰ্ণ কথা হৈছে ভাষা-উপভাষাৰ বৈজ্ঞানিক বিশ্লেষণে বিভিন্ন ভাষা-ভাষীৰ আন্তৰিক মিলনৰ ভেটি সুদৃঢ় কৰে। দেশৰ ঐক্য আৰু সমৃদ্ধিৰ বাবে ইয়াৰ মূল্য অসীম।